তোমালোকৰ মাজৰ প্ৰত্যেকৰে যেন আল্লাহৰ প্ৰতি ভাল ধাৰণা থকা অৱস্থাত মৃত্যু হয়।

জাবিৰ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বৰ্ণিত, তেওঁ কৈছেঃ নবী চাল্লাল্লাহু আলাইহি অছাল্লামৰ মৃত্যুৰ তিনি দিন পূৰ্বে মই তেখেতৰ পৰা শুনিছোঁ, তেখেতে কৈছেঃ "তোমালোকৰ মাজৰ প্ৰত্যেকৰে যেন আল্লাহৰ প্ৰতি ভাল ধাৰণা থকা অৱস্থাত মৃত্যু হয়।" [ছহীহ] [(মুছলিম)]

নবী চাল্লাল্লাহু আলাইহি অছাল্লামে হাদীছটোত মুছলিমসকলক উৎসাহিত কৰিছে যে, তেওঁলোকে যেন আল্লাহৰ প্ৰতি ভাল ধাৰণা পোষণ কৰে আৰু সেই অৱস্থাতে যেন তেওঁলোকৰ মৃত্যু হয়। বিশেষকৈ মৃত্যুৰ সময়ত যেন এই আশা থাকে যে, আল্লাহে তাৰ প্ৰতি ৰহম কৰিব আৰু তাক ক্ষমা কৰি দিব। কাৰণ সুন্দৰ আমলৰ বাবে অন্তৰত ভয় থকাটো জৰুৰী। কিন্তু মৃত্যুৰ সময়ত আমল কৰাৰ কোনো সুবিধা নাথাকে, সেয়ে এই সময়ছোৱাত আশাৰ পাল্লা গধুৰ হোৱা উচিত।

http://sunnah.global/hadeeth/as/show/3779